**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-04-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিত কাইলৈ প্ৰথমবাৰৰ বাবে একেটা পৰ্যায়তে ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচন মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ইতিমধ্যে প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ লগতে নিৰ্বাচনী দায়িত্বত থকা নিৰাপত্তাৰক্ষীসকল ই ভি এমসহ কৰ্তব্যস্থানত উপস্থিত হৈছে। এইবাৰৰ নিৰ্বাচনত ৫৯ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাজ্যত এইবাৰ ২ কোটি ৫০ লাখ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে ১ কোটি ২৫ লাখ পুৰুষ, ১ কোটি ২৫ লাখ মহিলা আৰু ৩৪৩ গৰাকী তৃতীয় লিংগৰ ভোটদাতা। ৰাজ্যখনৰ ৩১ হাজাৰ ৩৮৬টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ নিয়াৰিকৈ পৰিচালনাৰ বাবে এশ শতাংশ ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ কেইবাশ কোম্পানী নিয়োগ কৰা হৈছে।

ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেলে প্ৰতিগৰাকী ভোটদাতাকে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ ভোটকেন্দ্ৰসমূহলৈ গৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

**বাইট (অনুৰাগ গোৱেল)**

০০০০

এইবাৰৰ অসম বিধানসভা নিৰ্বাচনত ৭২২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰে ৬৬৩ জন পুৰুষ আৰু ৫৯ গৰাকী মহিলা প্ৰাৰ্থী। ৰাজ্যৰ ৭৮ টা  বিধানসভা সমষ্টিত কোনো মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়োৱা নাই। এই সমষ্টিসমূহৰ ভিতৰত আছে হাওৰাঘাট, আমৰি, লখিমপুৰ, বৰাক উপত্যকাৰ উদাৰবন্দ, কাটিগড়া, শিলচৰ, সোণাই, হাইলাকান্দি, ঢলাই, আলগাপুৰ কাটলিচেৰাত, উজনি অসমৰ শিৱসাগৰ, নাজিৰা, মাজুলী, যোৰহাট, ঢেকিয়াজুলি, ৰঙাপৰা, নদুৱাৰ, বৰক্ষেত্ৰী, নলবাৰী, টিহু, ভৱানীপুৰ, সৰভোগ, পলাশবাৰী, পূৱ গোৱালপাৰা ইত্যাদি। বিজেপিয়ে ছগৰাকী কংগ্ৰেছে ১৩ গৰাকী, এছ ইউ চি আই ১২ গৰাকী, অসম গণ পৰিষদে এগৰাকী, আম আদমী পাৰ্টীয়ে ৩ গৰাকী, অসম জাতীয় পৰিষদে এগৰাকী, ৰাইজৰ দলে এগৰাকী, চি পি আই এম এলৰ এগৰাকী, ঝাৰখণ্ড মুক্তি মৰ্চাই এগৰাকী আৰু তৃণমূল কংগ্ৰেছ দলে দুগৰাকী মহিলাক প্ৰাৰ্থীত্ব দিছে।

ইপিনে, এইবাৰৰ নিৰ্বাচনত ৪০ বছৰ বয়সৰ অনুৰ্ধ ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ১৮ ৰ পৰা ১৯ বছৰ বয়সৰ ৬ লাখ ৪২ হাজাৰ ৩১৪ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলগীয়া এইবাৰৰ নিৰ্বাচনত এই নৱ প্ৰজন্ম প্ৰাৰ্থীসকলে প্ৰতিদ্বন্দিতা কৰিছে। নিৰ্বাচনৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে

তিনিচুকীয়াত ৩৮ বছৰীয়া  ডেভিদ টি ফুকন, চামগুৰিত ২৭ বছৰীয়া তানজিল হুছেইন আৰু আলগাপুৰ কাটলিচেৰাত ৩৪ বছৰীয়া জুবেইল আনন্দ মজুমদাৰক প্ৰাৰ্থীত্ব দিছে। বিজেপিয়ে হাফলঙত ৩৬ বছৰীয়া ৰূপালী লাংথাছা আৰু পশ্চিম গোৱালপাৰাত ৩০ বছৰীয়া পবিত্ৰ ৰাভাক প্ৰাৰ্থীত্ব দিছে। ৰাইজৰ দলে মৰিয়নি সমষ্টিত ৩৪ বছৰীয়া ড০ জ্ঞানেশ্ৰী বৰাক আৰু মাৰ্ঘেৰিটা সমষ্টিত ৩০ বছৰীয়া ৰাহুল চেত্ৰীক প্ৰাৰ্থীত্ব আগবঢ়াইছে। অসম জাতীয় পৰিষদ দলে মধ্য গুৱাহাটী সমষ্টিত ২৭ বছৰীয়া কুংকি চৌধুৰীক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ নিৰ্বাচনত ২ লাখ ৫ হাজাৰ ৮৫ গৰাকী বিশেষভাৱে সক্ষম আৰু দুহেজাৰ ৪৬৬ গৰাকী শতায়ু গৰকা ভোটদাতাই ভোটদানৰ সুযোগ  লাভ কৰিছে। ০০০০

০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচনত ভোটদানৰ বাবে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ উপৰি অন্য ১২ বিধ নথি দেখুৱাই ভোটদান কৰিব পাৰিব বুলি প্ৰকাশ কৰিছে। ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰ নথকা ভোটদাতাসকলে এই ১২ বিধ নথিৰ যিকোনো এবিধ দেখুৱাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই নথিসমূহৰ ভিতৰত আছে আধাৰ কাৰ্ড, এম জি এনৰেগাৰ জবকাৰ্ড, ডাকঘৰৰ পাছবুক, আয়ুষ্মান ভাৰত, স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ী চালকৰ অনুজ্ঞাপত্ৰ, পেনকাৰ্ড, পাৰপত্ৰ ইত্যাদি। ভোটদাতাগৰাকীৰ পৰিচয় সম্পৰ্কে নিশ্চিত তথ্য থাকিলে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে।

০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ শুনানি অব্যাহত আছে। আজি ধাৰা আৰোপৰ বাবে অভিযুক্ত পক্ষৰ যুক্তি প্ৰদৰ্শন প্ৰক্ৰিয়া সমাপ্ত হয়। অভিযুক্তৰ বিচাৰৰ ধাৰা সন্দৰ্ভত শুনানি গ্ৰহণৰ পাছতে জুবিন গাৰ্গৰ হৈ নিয়োগ কৰা বিশেষ লোক অধিবক্তাই অভিযুক্তসকলৰ বিৰুদ্ধে যুক্তি প্ৰদৰ্শন কৰে। ইয়াৰ লগে লগে ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে ধাৰা আৰোপ সম্পৰ্কীয় শুনানিৰ অন্ত পৰে। ব'হাগ বিহুৰ পাছত গোচৰীয়া পক্ষৰ তৰফৰ পৰা প্ৰত্যুত্তৰ দিয়া হ'ব। অসম চৰকাৰৰ হৈ প্ৰতিনিধিত্ব কৰা বিশেষ লোক অধিবক্তা জিয়াউল কামাৰে অভিযুক্তসকলৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপৰ সপক্ষে পৰৱৰ্তী শুনানিত যুক্তি আগবঢ়াব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত  এখন খেলত আজি গুজৰাট টাইটানছে -ডেলহী কেপিটেলছক জয়ৰ বাবে ২১১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। গুজৰাটে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২১০ ৰান সংগ্ৰহ কৰে। দলৰ হৈ শুভমন গীলে সৰ্বাধিক ৭০ আৰু যশ বাটলাৰে ৫২ ৰান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ